**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং -৪৬৮**
**উত্তৰ দিয়াৰ তাৰিখ - ২৩-০৭-২০২৫**
**বিষয়ঃ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পলিচি অনুসৰি চলিত বৰ্ষৰ পৰা আৰম্ভ হ'বলগীয়া স্নাতক চতুৰ্থ বৰ্ষৰ শ্ৰেণীসমূহৰ সম্পৰ্কত।**
**বিধায়ক: শ্ৰীবিশ্বজিৎ ফুকনঃ**

**প্ৰশ্ন**

**মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পলিচি অনুসৰি চলিত বৰ্ষৰ পৰা স্নাতক চতুৰ্থ বৰ্ষৰ শ্ৰেণীসমূহ যিহেতু লক্ষাধিক ছাত্ৰ-ছাত্ৰীক লৈ আৰম্ভ হ'ব, ইয়াৰ বাবে চৰকাৰে নতুনকৈ কিমানজন শিক্ষকক নিযুক্তি দিছে?

(খ) প্ৰয়োজন হোৱা অতিৰিক্ত শ্ৰেণীকোঠা, বিজ্ঞানাগাৰ আৰু আচবাব আদিৰ বাবে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত মহাবিদ্যালয়সমূহৰ বাবে নতুনকৈ কিমান টকাৰ পুঁজি যোগান ধৰা হৈছে ?

(গ) যদিহে, নতুনকৈ কোনো পুঁজিৰ যোগান ধৰা হোৱা নাই, তেতিয়া হ'লে আন্তঃগাঁথনি আৰু শিক্ষক অবিহনে চতুৰ্থ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে পাঠদান কৰা হ'ব? জনাব।

**উত্তৰ**

**মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব :-**

ক) ৰাষ্ট্ৰীয় শিক্ষা নীতি অনুসৰি চলিত বৰ্ষৰ পৰা আৰম্ভ হ'বলগীয়া মহাবিদ্যালয়সমূহত স্নাতক চতুৰ্থ বৰ্ষৰ শ্ৰেণী সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আছুতীয়াকৈ কোনো শিক্ষক নিযুক্তি দিয়া হোৱা নাই। মহাবিদ্যালয়সমূহৰ শিক্ষক নিযুক্তিকৰণ এটা অবিৰত প্ৰক্ৰিয়া । অসম বিধান সভা নিৰ্বাচনৰ আগলৈকে নিযুক্তি প্ৰক্ৰিয়া চলি আছিল। বিধানসভা নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধি বলবৎ কৰাৰ বাবে নিযুক্তি প্ৰক্ৰিয়া সাময়িকভাৱে বাধাগ্ৰস্ত হয়। অৱশ্যে প্ৰয়োজনীয় প্ৰশাসনিক অনুমোদন লাভ কৰা আৰু নিযুক্তিৰ সৈতে জড়িত সকলো নিৰ্ধাৰিত পদ্ধতিগত আৰু বিধিগত আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত অতি সোনকালে নিযুক্তি প্ৰক্ৰিয়া পুনৰ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে ।

কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ অন্তৰ্গত ৭ খন অভিযান্ত্ৰিক মহাবিদ্যালয়ত পূৰ্বৰ পৰাই চাৰি বছৰীয়া স্নাতক (B.Tech) পাঠ্যক্ৰম চলি আছে। সেয়েহে উক্ত মহাবিদ্যালয় সমূহত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি নতুনকৈ চতুৰ্থ বৰ্ষৰ শ্ৰেণীসমূহ আৰম্ভ কৰিবলগীয়া নহয় আৰু নতুনকৈ শিক্ষক নিযুক্তিৰ প্ৰয়োজন নাই। আনহাতে, এই সঞ্চালকালয়ৰ অধীনস্থ ২৬ খন পলিটেকনিকত কেৱল তিনি বছৰীয়া ডিপ্লোমা পাঠ্যক্ৰম চলি আছে।

খ) মহাবিদ্যালয়সমূহৰ প্ৰয়োজন অনুসৰি পৰ্যায়ক্ৰমে আন্তঃগাঁথনিৰ সম্প্ৰসাৰণ কৰা হ'ব। উপলব্ধ বাজেটীয় ব্যৱস্থাৰ অধীনত নতুন আন্তঃগাঁথনি নিৰ্মাণ সম্পন্ন হ'বলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব পাৰে। সেয়েহে, মহাবিদ্যালয়সমূহৰ জৰুৰী আন্তঃগাঁথনিৰ প্ৰয়োজন পূৰণৰ উদ্দেশ্যে বিভাগে সিদ্ধান্ত গ্ৰহণ কৰিছে যে, সংযুক্তিকৰণ (Amalgamation/Merger)-ৰ পাছত ব্যৱহাৰ নোহোৱা বিদ্যালয়সমূহৰ আন্তঃগাঁথনি মহাবিদ্যালয়সমূহে ব্যৱহাৰ কৰিব পাৰিব। নিকটবৰ্তী বিদ্যালয়সমূহত থকা এনে অব্যৱহৃত আন্তঃগাঁথনি মহাবিদ্যালয়সমূহে নিজৰ প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিব পাৰিব।

বৰ্তমান কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ প্ৰশাসনিক নিয়ন্ত্ৰণত থকা প্ৰতিষ্ঠানসমূহত অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ, পৰীক্ষাগাৰ স্থাপন, আচবাব ক্ৰয়, বা অন্যান্য সংশ্লিষ্ট আন্তঃগাঁথনিগত সুবিধাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত কোনো নিৰ্দিষ্ট ধন নিৰ্ধাৰণ কৰা হোৱা নাই। কিন্তু চৰকাৰে শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈয়েই আছে, আৰু উপযুক্ত আঁচনি আৰু কাৰ্যসূচীৰ অধীনত সম্পদৰ উপলব্ধতা আৰু ধন আবন্টনৰ ওপৰত নিৰ্ভৰ কৰি এনে সুবিধাসমূহৰ প্ৰয়োজনীয়তা বিবেচনা কৰা হ'ব।

গ) ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ (NEP 2020)-ৰ নিৰ্দেশনা অনুসৰি চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ চতুৰ্থ বৰ্ষৰ অধ্যয়ন বাধ্যতামূলক নহয়। শিক্ষাৰ্থীসকলে ইচ্ছা কৰিলে তৃতীয় বৰ্ষ সম্পূৰ্ণ কৰাৰ পাছতো শিক্ষাবৰ্ষৰ পৰা অব্যাহতি ল'ব পাৰে। আনহাতে, যিসকল শিক্ষাৰ্থীয়ে চতুৰ্থ বৰ্ষত অধ্যয়ন অব্যাহত ৰাখিব বিচাৰে, তেওঁলোকৰ বাবে দুটা বিকল্প উপলব্ধ কৰা হৈছে—

i. গৱেষণাসহ অনাৰ্ছ ডিগ্ৰী (Honours with Research), আৰু
ii. গৱেষণাবিহীন অনাৰ্ছ ডিগ্ৰী (Honours without Research)।

গতিকে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পছন্দ আৰু যোগ্যতা অনুসৰিহে সিদ্ধান্ত ল'ব পাৰিব। চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ সুচাৰু পৰিচালনাৰ বাবে নতুন অধ্যাপক নিযুক্তি প্ৰক্ৰিয়াৰ বিষয়টো চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ অধীনস্থ অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহত যিহেতু পূৰ্বৰ পৰাই চাৰি বছৰীয়া B.Tech পাঠ্যক্ৰম চলি আছে, সেয়েহে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত অতিৰিক্ত পুঁজিৰ অবিহনে উক্ত শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলক চতুৰ্থ বৰ্ষত পাঠদানৰ ব্যৱস্থা অব্যাহত আছে।

**** প্ৰশ্নোত্তৰ অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপলড কৰা হৈছে ।**

..............................